# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date :** 05-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম পৌৰ নিগম কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ অধিনিয়ম ২০২৫ত অনুমোদন জনোৱা হয়। ইয়াৰ জৰিয়তে ৰাজ্যৰ ৭১ খন পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হ'ব। আজিৰ বৈঠকে অসমত মূল্য সংযোজিত কৰ গাঁথনিক অধিক শৃংখলিত কৰাৰ বাবেও সিদ্ধান্ত লয়। অসমৰ বিভিন্ন বিদ্যালয়ত কৰ্মৰত অসমীয়া বিভাগৰ শিক্ষকসকলৰ চাকৰিৰ নিয়মাৱলী একেধৰণৰ কৰাৰ বাবেও আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। আজি কেবিনেটে অসম ৰাজহুৱা সামগ্ৰী বিতৰণ সংশোধনী অধিনিয়ম ২০২৫ ত অনুমোদন জনায়। সেই অনুসৰি এতিয়াৰে পৰা সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ ম্যাদ ৩ বছৰৰ পৰা ৫ বছৰলৈ বৃদ্ধি কৰা হৈছে। ক্ষুদ্ৰ উদ্যোগ উন্নয়নৰ বাবে কেবিনেটে ৪২ কোটি ৭২ লাখ টকা অনুমোদন জনায়।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ প্ৰধান বন সংৰক্ষক আৰু মুখ্য বন্য প্ৰাণী ৱাৰ্ডেনক শোণিতপুৰ জিলাৰ সোণাই ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত থকা অবৈধ দখল আঁতৰোৱাৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখাসহ এখন শপতনামা দাখিলৰ নিৰ্দেশ দিছে। এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিত বন বিভাগে আদালতক জনাই যে, সোণাই ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত থকা গাঁৱসমূহৰ এক বিস্তৃত জৰীপ চলোৱা হৈছে আৰু অবৈধ দখল আঁতৰোৱাৰ বাবে এটা ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। বন বিভাগৰ এনে তথ্যৰ পিছতেই উচ্চ ন্যায়ালয়ে অহা ৬ মাৰ্চত অবৈধ দখল আঁতৰোৱাৰ ৰূপেখাসহ এখন শপতনামা দাখিলৰ নিৰ্দেশ দিয়ে।

০০০০

এটা বিশেষ সূত্ৰৰ পম খেদি দক্ষিণ শালমাৰা মানকাচৰ আৰক্ষীয়ে চলোৱা এটা অভিযানত ২ কোটি টকা মূল্যৰ নিচাযুক্ত য়াবা টেবলেট জব্দ কৰে। এই সংক্ৰান্তত এটা অভিযুক্তক আটক কৰা হৈছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ সংমণ্ডলে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে কাইলৈ আৰু পৰহিলৈ প'ৰ্টেল পুনৰ মুকলি কৰিব বুলি জনাইছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে সংশ্লিষ্ট সকলো শিক্ষানুষ্ঠানৰ মুৰববীক পৰহিলৈ তথা ৭ ফেব্ৰুৱাৰীৰ বিয়লি ৫ বজা পৰ্যন্ত শিক্ষাৰ্থীৰ অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। সময় উকলি যোৱাৰ পাছত অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়সীমা বৃদ্ধি কৰা নহয় বুলিও শিক্ষা পৰিষদ সংমণ্ডলে নিৰ্দেশনাটোত স্পষ্ট কৰি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ২৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব। ৰাজ্যখনত ঔদ্যোগিক আৰু বিনিয়োগ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীগৰাকী অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'বহি। মুখ্যমন্ত্ৰীয়ে যোৱা দুদিনত নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেল, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো সাক্ষাৎ কৰে। কালি ড° শৰ্মাই চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাকো সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক সন্মিলনলৈ আমন্ত্ৰণ জনায়। ড° শৰ্মাই লগতে মন্ত্ৰীকেইগৰাকীৰ সৈতে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভতো আলোচনা কৰে।

ড° শৰ্মাই কালি এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি নৱম দিন। আজিৰ দিনটোত লন বলৰ প্ৰতিযোগিতাত অসমৰ সুৰঞ্জনা বৰুৱাই ৰূপৰ পদক অৰ্জন কৰিছে। সুৰঞ্জনা বৰুৱাই কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক অৰ্জনেৰে সফলতা কঢ়িয়াই আনিছে। আজিৰ দিনটোত অসমৰ চাৰিগৰাকী বক্সাৰে নিজৰ নিজৰ ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আন এগৰাকী তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়েও নিজৰ বক্সিং ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বক্সাৰ অঙ্কুশিতা বড়োৱে হিমাচল প্ৰদেশৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে মহিলা বক্সাৰ আইকন মিলিয়ে দিল্লীৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

অসম ফুটবল দলটোৱে আজি অনুষ্ঠিত ছেমি ফাইনেলত কেৰালাৰ বিৰুদ্ধে পৰাজয় বৰণ কৰে। গ'ল শূন্যভাৱে সমাপ্ত হোৱা খেলখনত ট্ৰাই ব্ৰেকাৰত ৩-২ গ'লৰ ব্যৱধানত অসম দলটো পৰাস্ত হয়। অসমে এতিয়া তৃতীয় স্থান তথা ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। অসমৰ দৌৰবিদ অম্লান বৰগোহাঁইয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণৰ বাবে আজি উত্তৰাখণ্ড অভিমুখে যাত্ৰা কৰিছে। অসমে এইপৰ্যন্ত ১০টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকেৰে তালিকাৰ ২৫ নম্বৰ স্থানত আছে।

০০০০

সমাপ্ত